# প্ৰাগজ্যোতিষ

## কলেজ আলোচনী

সম্পাদিকা
শ্ৰী সত্যৱতী কুঁ

দ্বিতীয় বছৰ
দ্বিতীয় সংখ্যা



# প্ৰাগজ্যোতিষ কলেজ আলোচনী

(দ্বিতীয় সংখ্যা)

সম্পাদিকা—

শ্ৰীসত্যৱতী ফুকন।

উপদেষ্টা—

অধ্যাপক শ্ৰীসৰ্ব্বানন্দ ৰায় এম, এ,

সহকাৰী সম্পাদক—

শ্ৰীইফতাখ হুচেইন

শ্ৰীসৰ্ব্বেশ্বৰ দত্ত

শ্ৰীনৰেন্দ্ৰ শৰ্ম্মা

শ্ৰীৰামচৰণ মহন্ত

শ্ৰীতাপস সৰস্বতী

বাণী প্ৰিন্টিং ওৱাৰ্কছ, গুৱাহাটীত শ্ৰীবিজয় সিংহৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

# প্ৰাগজ্যোতিষ কলেজ

# আলোচনী

( তেজস্বিনাৱধীতমস্তু )

## অসমীয়া বিভাগ

# —ঃ সূচী-পত্ৰ ঃ—

## অসমীয়া বিভাগ

প্ৰৱন্ধ ঃ


১। এখন অসমীয়া ভক্তিশাস্ত্ৰ ঃ কীৰ্ত্তন ... অধ্যাপক শ্ৰীগদাধৰ দেৱশৰ্ম্মা ... ১
২। সৌন্দৰ্য্য ... কুতুবুদ্দিন আহমদ বড়া ... ১২
৩। ৰহস্যবাদ ... শ্ৰীৰবীন্দ্ৰ বড়া ... ১৫
৪। জাতীয় আন্দোলনত নাৰী ... মীৰ ইক্ৰাম ... ১৮
৫। শিল্পোদ্যোগত অসম ... অধ্যাপক ভবানন্দ ডেকা ... ২৩
৬। অসমীয়া কৃষ্টিৰ ধাৰা ... শ্ৰীসৰ্ব্বেশ্বৰ তালুকদাৰ ... ২৭
৭। বেজবৰুৱা আৰু অসমীয়া সাহিত্য ... শ্ৰীনৰেন্দ্ৰ শৰ্ম্মা ... ৩১
৮। সংস্কৃত নাটক আৰু অঙ্কীয়া নাট ... শ্ৰীদয়াৰাম তালুকদাৰ ... ৩৪


কবিতা ঃ


৯। শেষ ৰেখা ... শ্ৰীসৰ্ব্বেশ্বৰ দত্ত ... ৩৬
১০। অসজ ... শ্ৰীসুবোধ চন্দ্ৰ গোস্বামী ... ৩৬
১১। তুমি বাৰু কেতিয়া আহিবা ... শ্ৰীবিমল শৰ্ম্মা ... ৩৭
১২। নীল আকাশৰ তুমি এটি তৰা ... শ্ৰীউদয় ৰায় ... ৩৮
১৩। স্মৃতি তৰ্পন ... শ্ৰীবিজুলী দাস ... ৩৯
১৪। নিজৰা ... শ্ৰীসাধন ভট্টাচাৰ্য্য ... ৩৯
১৫। নাও কেনি নিয়া ভটিয়াই ... শ্ৰীবীৰেন দাস ... ৪০
১৬। উদাস ... শ্ৰীকামাখ্যা বানাৰ্জ্জী ... ৪০


গল্প ঃ


১৭। পূৰ্ণগ্ৰাস ... শ্ৰীধীৰেশ ডেকা ... ৪
১৮। নট ... ইফতাখ হুচেইন ... ৪
১৯। অবগুণ্ঠন ... শ্ৰীবীণা দাস ... ৪
২০। নতুন যুগ ... শ্ৰীঅমৰেশ দত্ত ... ৪
২১। সম্পাদকীয় চ'ৰা ... ... ... ৫

PRAGJYOTISH COLLEGE LIBRARY
No. 2945
Date 11.5.62
GAUHATI.


# প্ৰাগজ্যোতিষ কলেজ

## আলোচনী

॥ তেজস্বিনাৱধীতমস্তু ॥

দ্বিতীয় বছৰ — ১৯৫৮ চন — দ্বিতীয় সংখ্যা


# এখন অসমীয়া ভক্তিশাস্ত্ৰঃ কীৰ্ত্তন

—অধ্যাপক শ্ৰীগদাধৰ দেৱশৰ্ম্মা

আন তিনিখনক লৈ মুঠ ভক্তিশাস্ত্ৰ হ'ল চাৰিখন ঃ

(১) কীৰ্ত্তনঘোষা,
(২) নামঘোষা,
(৩) দশম আৰু
(৪) ভক্তিৰত্নাৱলী।

ভাৰতীয় বৈষ্ণৱ ধৰ্ম্মৰ গীতা, ভাগৱত, নাৰদীয় ভক্তিসূত্ৰ, শাণ্ডিল্যসূত্ৰ, মুক্তাফল আদিৰ যি মূল্য অসমীয়া বৈষ্ণৱ ধৰ্ম্মত শঙ্কৰদেৱৰ কীৰ্ত্তনঘোষা আৰু মাধবদেৱৰ নামঘোষাৰো সেই মূল্য। বাকী দুখন ভক্তি শাস্ত্ৰৰ 'দশম' শঙ্কৰদেৱৰ আৰু 'ভক্তিৰত্নাৱলী' মাধবদেৱৰ। এই গ্ৰন্থ চাৰিখনৰ মূল্য কেৱল ভক্তিশাস্ত্ৰ হিচাবেই নহয়, অপূৰ্ব্ব ভক্তিসাহিত্য হিচাবেও। উক্ত পুথি কেখনৰ সুৱদী ভাৱ-ভাষাৰ মাজত থকা সপ্ৰেমভক্তি উথলি উঠিছে কৃষ্ণ-যশ-ৰসত। ধৰ্ম্মৰ ভেটিত প্ৰতিষ্ঠিত হোৱা বাবেই অসমীয়া বৈষ্ণৱ সাহিত্য ৰজাঘৰৰ পৰা চহাঘৰলৈ ইমান সৰবৰহী। হাটৰুৱা, বাটৰুৱা, গুৱাল, গৰখীয়া, হাতীৰ মাউত, নাওঁৰ সাউদ সকলোৰে মুখত অন্ততঃ এফাঁকি আধাফাঁকি কীৰ্ত্তনৰ গীত। আনকি নামঘৰৰ পৰা মাৰলঘৰ, তাঁতশাল, ঢেকী-পিছালৈকে কীৰ্ত্তনৰ প্ৰভাৱ সুস্পষ্ট। এনেদৰেই শঙ্কৰ-মাধৱৰ ধৰ্ম্ম সাহিত্যৰ সোণৰ সৌধ 'নাম-দেৱ-গুৰু-ভকত' ধৰ্ম্মৰ এই চাৰিখুঁটিৰ ওপৰত বিজয়-বৈজয়ন্তীৰূপে কালজয়ী হৈ জিলিকি আছে।